বাৰিষাৰ বোকা বাটেদি তেওঁলোকে বস্তু-বাহানি বান্ধি যাবলগীয়া হৈছিল। পুৰণি ঘৰ-দুৱাৰ ভাঙি নি নতুন ঠাইত সাজিলেগৈ। এই কামত যথেষ্ট কষ্ট হৈছিল আব্ৰাহামৰ।

ইলিয়ন্সলৈ গৈ আব্ৰাহামে অফাট নামেৰে এজন বাণিজ্য চলোৱা মানুহৰ লগত যোগ দিলে। তেওঁৰ বয়স তেতিয়া একৈশ বছৰ।

এইবাৰ আব্ৰাহামে বাহিৰৰ জগতলৈ চকু দিব পৰা হ'ল। হাটবোৰত গৰু-ম'হৰ দৰে মানুহো বেচা-কিনা কৰা হয়। বলিকটা ছাগলীৰ দৰে মানুহবোৰক ডিঙিত জৰী লগাই চোচোৰাই লৈ যায়। এখন স্বাধীন দেশৰ এই অবিচাৰ দেখি আব্ৰাহাম শিয়ঁৰি উঠিল। বগা জাতিয়ে ক'লা জাতিক যি অত্যাচাৰ কৰে, তাক চকুৰে নেদেখিলে বুজিব নোৱাৰি। আমেৰিকান জাতিৰ গাত এইটো মচিব নোৱাৰা কলঙ্ক।

সুসভ্য আৰু মাৰ্জিত আমেৰিকান জাতিৰ বুৰঞ্জীত লিঙ্কনৰ যি অৱদান সি এই ক'লা নিগ্ৰো জাতিৰ কলঙ্ক কাহিনীক মচিবৰ কাৰণেই। লিঙ্কন সেইদিনা সামান্য এটা দোকানী ল'ৰা। এই ল'ৰাটিৰ ভৱিষ্যৎ সেই মহান জাতিটোৰ মহত্ত্ব গঢ়িবৰ কাৰণেই যেন বৈ আছে।

মানুহ সাধু হলে অকল মুখৰ কথাৰেই সাধুতা প্ৰকাশ কৰিলে যথেষ্ট নহয়। গাৰ বলেৰেও এই সাধুতা প্ৰকাশ কৰিব লাগে। নহলে মানুহে শ্ৰদ্ধা নকৰে। আব্ৰাহামৰ চৰিত্ৰ যেনে ওখ খাপৰ আছিল, মন যেনে উন্নত আছিল, শৰীৰৰ শক্তিও সেইদৰে আছিল যথেষ্ট। অন্যায় কৰেঁাতাই বেয়া কাম এটা কৰি তেওঁৰ আগৰপৰা সহজে সাৰি যাব নোৱাৰে। এই গুণ থকা বাবে আব্ৰাহামক তেওঁৰ বয়সৰ ডেকা ল'ৰাবিলাকে বৰ শ্ৰদ্ধা কৰিবলৈ ধৰিলে।

আব্ৰাহাম লিঙ্কনৰ কথা কোৱা ভাষা বৰ মাৰ্জিত আছিল। তেওঁ স্কুলত পঢ়িবলৈ পোৱা নাছিল। নিজে নিজে কষ্ট কৰি ব্যাকৰণ পঢ়ি ভাষা কেনেকৈ শুদ্ধকৈ ক'ব লাগে তাৰ নিয়মবোৰ শিকি লৈছিল। তেওঁ লেখা ইংৰাজীবোৰো সেইদৰে

পৰিপাটি আৰু নিৰ্ভুল। এইবোৰ পিচৰ যুগত আদৰ্শ সাহিত্য ৰূপে পৰিগণিত হৈছিল।

লিঙ্কন সাধু, সাহিয়াল আৰু বলী। নেতা হবৰ কাৰণে এইবোৰ গুণেই যথেষ্ট। তথাপি আৰু এটা সুবিধা লাগে। সেই সুবিধা হ'ল প্ৰচাৰ বা আত্মপ্ৰচাৰৰ। যদি লিঙ্কনৰ গাত গুণ নেথাকিলহেঁতেন তথাপি প্ৰচাৰৰ কৌশলে তেওঁক নেতা হোৱাৰ বাটত আগবঢ়াই দিলেহেঁতেন। লিঙ্কনৰ তেনে কোনো অপকৌশল নাছিল। তেওঁ নিৰ্ভুলভাৱে ইংৰাজী বক্তৃতা দিয়ে আৰু বক্তৃতাবোৰ অন্তৰৰপৰা দিয়ে বাবে শুনোতাসকলৰ হিয়া স্পৰ্শ কৰিব পাৰিছিল।

মানুহে অৱশ্যে তেওঁক এজন ভাল ব্যৱসায়ী বুলিয়েই ভাবিছিল। চাকৰি-বাকৰি নেপালে দুখীয়া মানুহে ব্যৱসায় কৰি খাবলগীয়া হয়। লিঙ্কনৰো সেয়ে হৈছিল। তেওঁ এসময়ত কমাৰশাল এখন খুলি কমাৰ হৈয়ো জীৱিকা নিৰ্ব্বাহ কৰিছিল। পিচত বেৰী নামৰ মানুহ এজনৰ লগত যোগ দি এখন দোকান দিয়ে। বেৰী আছিল এলেহুৱা আৰু মদপী। অতিৰিক্ত মদ খোৱা কাৰণে বেৰী বেচি দিন জীয়াই নেথাকিল। বেৰী মৰিলত দোকানৰ সকলো ধাৰ ঋণ লিঙ্কনৰ টেটুত লাগিল।

এই সময়তে ৰঙা-ভাৰতীয়ৰ নেতা ব্লেক হকৰ লগত ইলিয়নসবাসীৰ এখন যুঁজ লাগিছিল। লিঙ্কনে সেই যুদ্ধত যোগ দিলে ইলিয়নসৰ গৌৰৱ ৰক্ষা কৰিবৰ বাবে। দুৰ্দ্দান্তক দমন কৰিবৰ বাবে লিঙ্কন ৰণুৱা হব লগাত পৰিল। তেওঁৰ মনত সদায় দেশক আৰু দেশৰ মানুহক সুখী কৰাৰ ভাৱটোৱেই প্ৰবল আছিল। কোনোবাই দেশৰ অপকাৰ সাধন কৰিব খুজিলে তেওঁ সহ্য কৰিব নোৱাৰিছিল।

নিউ অৰ্লিয়েন্স হাটত তেওঁ মানুহ বেচা-কিনা দেখিছিল। এই দাসত্ব প্ৰথা যে আমেৰিকাবাসীৰ কলঙ্ক তাক বুজাবৰ বাবে তেওঁ জিভা আৰু তৰোৱাল দুয়োটাকে চোকা কৰি ললে।

১৮৩২ চনৰ শৰৎকালৰ নিৰ্ব্বাচনত তেওঁ শাসন পৰিষদৰ পদপ্ৰাৰ্থী হ'ল। এই নিৰ্ব্বাচনত প্ৰথমবাৰৰ লিঙ্কন বিফল

হ'ল। বেৰীৰ লগত ব্যৱসায়—সিও তেওঁৰ এটা পৰাজয়। ধাৰৰ বোজা লৈ তেওঁ চাকৰি বিচাৰিলে। নিউচালেম ডাক-পোষ্টমাষ্টৰৰ চাকৰি তেওঁ পালে। ডাক-ঘৰ নহৈ জানিবা তেওঁৰ কাৰণে স্কুল ঘৰহে হ'ল। তালৈ অহা বাতৰিকাকতবোৰ তেওঁ উধাই মুধাই পঢ়িবলৈ ললে। অকল বাতৰিকাকতেই নহয়, অন্য বিষয়ৰ কিতাপো পঢ়িবলৈ ললে তেওঁ ডাক ঘৰতে। আইন বা নীতিশাস্ত্ৰ আৰু জৰীপ সমন্ধীয় কিতাপো তেওঁ পঢ়িলে। স্কুল-কলেজত নপঢ়াকৈয়ে বহুবিধ বিষয়ৰ জ্ঞান তেওঁ এই সময়তে আয়ত্ত কৰিলে। তেওঁৰ তেতিয়া বয়স পঁচিশ বছৰ।

১৮৩৪ চনৰ পিচৰ বাৰ নিৰ্ব্বাচনত তেওঁ আকৌ থিয় দিলে। তেওঁ বক্তৃতা দি থাকোতেই বিপৰীত দলৰ মানুহ এজনে তেওঁক সুধিলে, "আপোনাৰ দলত আপোনাতকৈ যোগ্য এজন জানো নোলাল ?"

লিঙ্কনে বুজিলে যে আত্মপ্ৰচাৰ নহলে এইবোৰ কামত অকল গুণ থাকিলেই নহয়। লিঙ্কনে উত্তৰ দিলে যে তেওঁৰ দলত হে নেলাগে আমেৰিকাৰ কোনো দলতেই তেওঁতকৈ যোগ্য মানুহ নাই।

এইবাৰৰ নিৰ্ব্বাচনত লিঙ্কন জয়ী হ'ল। তেওঁৰ কপালত এই যে যশস্যাৰ তিলক ভাগ্যদেৱীয়ে আঁকি দিলে সি আৰু মৃত্যুৰ দিনলৈকে মোচ নগ'ল।

ইয়াৰ পাচৰ তিনটা নিৰ্ব্বাচনতো লিঙ্কন জয়যুক্ত হয়। মুঠতে ১৮৪২ চনলৈকে এই আঠ বছৰ কাল তেওঁ ইলিনয়চ্‌ ষ্টেটৰ শাসন পৰিষদৰ সভ্য হৈ থাকিল।

১৮৪২ চনৰে ৪ নবেম্বৰত লিঙ্কনে কেণ্টাকীৰ মেৰী টডক বিয়া কৰায়। এওঁলোকৰ চাৰিটা সন্তান হৈছিল। শেষৰজন ৰবাৰ্ট লিঙ্কন গ্ৰেটবৃটেইনত যুক্তৰাজ্যৰ ৰাষ্ট্ৰদূত হয়।

লিঙ্কন শাসন পৰিষদৰ সভ্য হোৱাৰ চাৰি বছৰৰ পাচত নিউচালেমৰপৰা ইলিনয়চৰ শাসন-পৰিষদ স্প্ৰিংফিল্ডলৈ উঠি গ'ল। ইয়াতেই লিঙ্কনে আইনৰ পৰীক্ষা দিলে আৰু ইয়াতো

ওকালতি আৰম্ভ কৰিলে। এই সময়তো অৰ্থ চিন্তাই তেওঁক এৰি দিয়া নাছিল। ওকালতি কৰি যি যৎসামান্য উপাৰ্জ্জন কৰে তাৰে নিজৰ পৰিয়ালৰ ভৰণ-পোষণৰ উপৰিও মাহীয়েক দেউতাকলৈয়ো পঠিয়াব লাগে।

যুক্তৰাজ্যৰ সভাপতি আসনলৈ লিঙ্কনে আশা কৰা নাছিল। দেশৰ মানুহবিলাকৰ অৱস্থাৰ উন্নতি আৰু তেওঁবিলাকৰ সুখ-সুবিধাৰ ব্যৱস্থা কৰাহে তেওঁৰ উদ্দেশ্য আছিল।

লিঙ্কন শাসন পৰিষদৰ সভ্য হৈ থাকোঁতে ষ্টিফেন ডগলাছ নামৰ এজন বেৰিষ্টাৰ তাৰ চেক্ৰেটৰী আছিল। ডগলাছ আছিল সুদক্ষ বক্তা আৰু মিছা কথাৰ প্ৰলেপ সানি মানুহৰ মন ভুলোৱাত পটু। ১৮৫৯ চনত এওঁৰ বিপক্ষে বক্তৃতা দিবলৈ লিঙ্কনৰ নাম উত্থাপন কৰা হৈছিল। এখন তৰ্ক-সভাত এওঁলোকৰ মিট-মাট নহ'ল। এখন দুখনকৈ সাতখন তৰ্ক-সভা বহিল ইলিনয়চত। ডগলাছে ক্ৰীতদাস প্ৰথাৰ সপক্ষে মন ভুলোৱাকৈ বক্তৃতা দিলে। লিঙ্কনে তাৰ বিপক্ষতা কৰিলে তেওঁৰ সৰল আৰু স্পষ্ট ভাষাৰে। তেওঁৰ কথাবোৰ মৰ্ম্মস্পৰ্শী আছিল আৰু ই ইলিনয়চলৈ তেওঁৰ বক্তৃতা শুনিবলৈ অহা হেজাৰ বিজাৰ মানুহৰ মন আকৰ্ষণ কৰিছিল। লিঙ্কনৰ বক্তৃতাই মানুহৰ অন্তৰ পৰশি গ'ল। তৰ্কত ডগলাছে পৰাজয় স্বীকাৰ কৰিলে। লিঙ্কনৰ নাম গোটেই দেশতে ফুটি ফাটি গ'ল।

ডগলাছক পৰাজয় কৰাৰ পাচত লিঙ্কনে যতে বক্তৃতা দিয়ে মানুহ তালৈকে লৰ দিয়ে। তেওঁ ১৮৬০ চনৰ ফেব্ৰুৱাৰী মাহত নিউ ইয়ৰ্কৰ কুপাৰ ইনষ্টিটিউত দিয়া বিখ্যাত বক্তৃতাটোৱে তেওঁক যুক্তৰাজ্যৰ সভাপতিৰ আসনলৈ আগবঢ়াই নিলে।

ইতিমধ্যে যুক্তৰাজ্যখন গৃহযুদ্ধৰ সন্মুখ হ'ল। উত্তৰ ভাগৰ ৰাষ্ট্ৰসমূহ দাসত্ব প্ৰথা তুলি দিয়াৰ সপক্ষে। দক্ষিণ ভাগ তাৰ বিপক্ষে। 'ডি লিবাৰেটৰ' নামেৰে এখন বাতৰি-কাকত উলিয়াই মহামতি গেৰিচনে দাসত্ব প্ৰথা বেয়া বুলি নিন্দা কৰিলে। দক্ষিণ ভাগৰ মানুহে তেওঁক হত্যা কৰিবলৈ বিচাৰিলে। তেওঁৰ শিষ্যসকল অপমানিত আৰু লাঞ্ছিত হ'ল।

এনেকৈ গোটেই দেশখনতে অশান্তিয়ে আৱৰি ধৰিলে।

লিঙ্কনে তেতিয়া ৰিপাব্লিকান পার্টি এটা গঠন কৰে। তেওঁ কলে, প্ৰত্যেক নিগ্ৰোৰে মানুহ স্বৰূপে সম্পূৰ্ণ অধিকাৰ আছে। দক্ষিণ যুক্তৰাজ্যই এই কথাৰ বিপক্ষতাচৰণ কৰি গ'ল। লিঙ্কনে বক্তৃতাৰ উপৰি বক্তৃতা দি দেশ ছানি পেলালে। তেওঁ কথাবোৰ সুৰলা, সুমাৰ্জ্জিত আৰু নিখুঁত যুক্তিপূৰ্ণ আছিল।

এনে সময়তে যুক্তৰাজ্যৰ সভাপতি নিৰ্ব্বাচনৰ সময় আহিল। ১৮৬০ চনৰ ৬ নবেম্বৰ তাৰিখে আব্ৰাহাম লিঙ্কনকে যুক্তৰাজ্যৰ ষষ্ঠদশ সভাপতি ৰূপে নিৰ্ব্বাচিত কৰিলে।

লিঙ্কনে সভাপতি হৈ দেখিলে যে দক্ষিণৰ যুক্তৰাজ্য তেওঁৰ নীতিৰ ঘোৰ বিৰোধী। দক্ষিণৰ ৰাষ্ট্ৰসমূহে দাসপ্ৰথা উচ্ছেদ সম্পৰ্কত মতভেদ হৈ বেলেগ হৈ যাবৰ মন কৰিলে। জেফাৰচন্ ডেভিচ তেওঁলোকৰ সভাপতি নিৰ্ব্বাচিত হ'ল। লিঙ্কনে এওঁ-লোকৰ লগত বিচাৰিছিল মিত্ৰতা, কিন্তু পালে শত্ৰুতা।

এনেকৈয়ে গৃহ-যুদ্ধ আৰম্ভ হ'ল।

১৮৬১ চনৰ ১২ এপ্ৰিলত ভাৰ্জিনিয়া ষ্টেটত যুদ্ধ লাগিল। লিঙ্কনে প্ৰথমেই ৭৫ হেজাৰ সৈন্যৰ এটা দল গঠন কৰি সাজি-কাচি ওলাল। যুদ্ধত লিঙ্কনৰ সৈন্য পাচহুহঁকিল। ইয়াৰ পাচত প্ৰত্যেক-খন যুদ্ধতে উত্তৰ অঞ্চলে পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হ'ল।

যুদ্ধৰ মাজতে লিঙ্কনৰ সৰু পুতেক উইলী ঢুকায়। দুৰ্য্যোগ-বোৰে চাৰিউফালৰপৰা লিঙ্কনক মেৰাই ধৰিলে। লিঙ্কনে তথাপি ধৈৰ্য্য নেহেৰুৱালে। তেওঁ একে উদ্যমেৰে তেওঁৰ সেনাবোৰক উৎসাহ আৰু প্ৰেৰণা দি থাকিল।

১৮৬২ চনত হেজাৰ হেজাৰ ক্ৰীতদাস দক্ষিণ অঞ্চলৰ পৰা উত্তৰ অঞ্চলৈ পলাই আহে। তাত এওঁলোকক স্বাধীন-ভাৱে থাকিবলৈ দিয়া হল। লিঙ্কন তেতিয়াও মিট-মাটৰ সপক্ষে আছিল। তেওঁ প্ৰচাৰ কৰিলে যে যদি দক্ষিণ যুক্তৰাজ্যবাসী-সকলে ক্ৰীতদাস প্ৰথা উঠাই লয়, তেনেহলে গৱৰ্ণমেণ্টে গৰাকী-সকলৰ ক্ষতিপূৰণ কৰিব। বিলাসী দক্ষিণ অঞ্চলৰ মানুহ ইয়াতো সন্তুষ্ট নহল। ফলত গৃহ-যুদ্ধৰ জুই জ্বলিয়ে থাকিল।

ইয়াৰ পাচৰ যুদ্ধবিলাকতো লিঙ্কনৰ সৈন্য হাৰিবলৈ ধৰিলে। কাৰণ বেচিভাগ ধনী মানুহ আৰু ওখ সামৰিক বিষয়া হল দক্ষিণ অঞ্চলৰ। উত্তৰ অঞ্চলৰ মানুহ পৰিশ্ৰমী হলেও দুখীয়া। তাতে তেওঁলোকে বাহিৰৰ কোনো দেশৰপৰা সহায় পোৱা নাছিল। তেওঁলোকে যুদ্ধ-শিক্ষাও সম্পূৰ্ণভাৱে লাভ কৰিব নোৱাৰিছিল। এইদৰে সঘনে যুদ্ধ লগাত তেওঁলোকৰ বহুতো মানুহ মৰিল। সেইদেখি উত্তৰ যুক্তৰাজ্যবাসীয়ে লিঙ্কনক সমৰ্থন কৰিবলৈ টান পালে। সৈন্যবোৰেও লিঙ্কনৰ আদেশ অমান্য কৰিব খুজিলে।

লিঙ্কনে দেখিলে যে জৰ্জ্জ ৱাশ্বিংটন, টমাচ জেফাৰচন আৰু আলেকজেণ্ডাৰ হেমিল্টনে গঢ়ি যোৱা আমেৰিকা আজি দুটুকুৰা হৈ ভাগি যায়। অখণ্ড আমেৰিকা আজি আদৰ্শহীন হৈ পৰে।

লিঙ্কন তেওঁৰ মতত দৃঢ়সঙ্কল্প হল। তেওঁ কলে, যদি ঈশ্বৰে তেওঁলোকক আগন্তুক সমৰত সাফল্যমণ্ডিত কৰে, তেতিয়াহে তেওঁ বুজিব যে ঈশ্বৰে দাসবোৰক মুক্তি দিয়াৰ কথা ভাবিছে। সঁচাকৈয়ে এইখন যুদ্ধত উত্তৰ অঞ্চলে জয়লাভ কৰিলে। ইয়াৰ পাচত যদিও তেওঁলোকে কেবাবাৰো ঘাটে তথাপি গেটিচবাৰ্গ যুদ্ধত তেওঁলোকৰ বৃহত্তম জয়লাভৰ সময় চমু চাপি আহিল।

লিঙ্কনে গোটেই যুক্তৰাজ্যৰ মানচিত্ৰ এখন তেওঁৰ কোঠালিৰ বেৰত আঁৰি লৈছিল আৰু তাকে চাই সৈন্যদলবোৰৰ গতি নিৰীক্ষণ কৰিছিল। দিনে ৰাতিয়ে তেওঁ যুদ্ধৰ চিন্তাকে কৰিবলৈ ললে। সৈন্যবোৰক উৎসাহ দি তেওঁ যি বক্তৃতা দিছিল সি আমেৰিকাৰ সাহিত্যত যুগমীয়া হৈ আছে। গ্ৰাণ্ট, ছাৰমেন আৰু ফাৰগেট সহায় হল লিঙ্কনৰ। এওঁবিলাকক জল-স্থল বাহিনীৰ অধিনায়ক পাতি দি তেওঁ চকুৰ টোপনিকো এৰি শিৰিৰে শিৰিৰে সৈন্যবোৰক উৎসাহ দি ফুৰিলে। লাহে লাহে তেওঁক বেয়া পোৱাসকলেও তেওঁক ভাল পাবলৈ আৰু বিশ্বাস কৰিবলৈ ধৰিলে। ১৮৬৪ চনৰ নিৰ্ব্বাচনতো তেওঁকে সভাপতি নিৰ্ব্বাচিত কৰা হল।

লিঙ্কন পুনৰ সভাপতি হোৱাৰ পাচতো তেওঁ কেবাখনো যুদ্ধ কৰিবলগীয়া হৈছিল। শেষত ১৮৬৫ চনৰ ৩ এপ্ৰিলত

উত্তৰ অঞ্চলীয় সৈন্যই ভৰ্জিনিয়া ষ্টেটৰ ৰিচমণ্ডত প্ৰৱেশ কৰিলে। ৯ এপ্ৰিলত দক্ষিণ অঞ্চলৰ জেনেৰেল লিয়ে জেনেৰেলগ্ৰাণ্টৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হল। উত্তৰৰ আৰু দক্ষিণৰ মাজত হোৱা ভয়াবহ আৰু দীঘলীয়া যুদ্ধৰ অৱসান ঘটিল। একতাই পুনৰ বিৰাজ কৰিলে যুক্তৰাজ্যত। ক্ৰীতদাস প্ৰথা উঠি গল। মুক্ত হল দাসবিলাক।

ইমান ডাঙৰ আৰু মহান হৈয়ো লিঙ্কনে সৰু-সুৰা কথাৰ প্ৰতিও মন দিছিল। এবাৰ সৈন্যবিভাগত কাম কৰা ল'ৰা এটাই একেৰাহে আঠচল্লিশ ঘণ্টা মাৰ্চ কৰি আহি পহৰা দি থাকোঁতে টোপনি গ'ল। ইয়াৰ বাবে শাস্তি মৃত্যুদণ্ড। কিন্তু তেওঁৰ চকুত এৰাই নগল ক্ষমাৰ আদৰ্শ। ল'ৰাটোক ক্ষমা কৰি কৰ্ত্তব্যৰ কথা মাথোন সোঁৱৰাই দিলে লিঙ্কনে। এই লৰাটোৱে যুদ্ধ-ক্ষেত্ৰত নিজৰ প্ৰাণ দি প্ৰেছিডেণ্ট লিঙ্কনৰ ক্ষমাৰ ঋণ পৰিশোধ কৰি গ'ল।

উত্তৰ অঞ্চলৰ লগত দক্ষিণ অঞ্চলক মিলাই দিলে লিঙ্কনে। দুয়ো অঞ্চলৰ মাজত মিত্ৰতা স্থাপন কৰি অখণ্ড যুক্তৰাজ্যক উন্নতিৰ বাটলৈ আগুৱাই আনিলে লিঙ্কনেই। লিঙ্কনৰ প্ৰেম, ক্ষমা আৰু প্ৰীতিয়ে সকলোৰে অন্তৰ পৰশি গল।

এটা সাধাৰণ ঘটনা। লিঙ্কন ৰিচমণ্ডলৈ যোৱাৰ দিনাখন কিছুমান নিগ্ৰো মানুহে বাটৰ কাষৰ খাল এটাত কাম কৰি আছিল। তেওঁ সিহঁতৰ ওচৰ পোৱাত এজন বুঢ়া নিগ্ৰোদাস উত্তেজনাত চিঞৰি আহি তেওঁৰ সমুখত আঠু কাঢ়িলে। লিঙ্কনে বুঢ়া মানুহটোক মাটিৰপৰা তুলি দি কলে, মোৰ আগত আঠু নেকাঢ়িবা, ঈশ্বৰৰ বাবে আঠু কাঢ়া। তোমালোকৰ স্বাধীনতাৰ কাৰণে তেওঁকেই ধন্যবাদ জনোৱা, মোক নহয়।

পদদলিত জাতিৰ ডিঙিৰপৰা পৰাধীনতাৰ শিকলি ছিঙি দিয়া এইটো আমেৰিকা যুক্তৰাজ্যৰ বুৰঞ্জীত এটা অভিনৱ ঘটনা। নিগ্ৰোদাসবিলাকক মুক্তি দিবলৈ যিমানবিলাক সৈন্যই আত্মোৎ-সৰ্গ কৰিলে তাৰ প্ৰথম আৰু দ্বিতীয় মহাসমৰত তাৰ আধা সংখ্যক আমেৰিকান সৈন্যহে নিহত আৰু আহত হৈছিল।

আজি আমেৰিকা ধৰাৰ স্বৰ্গ। এই স্বৰ্গ গঢ়ি তুলিলে ৱাশ্বিংটন আৰু লিংকনে।

মহাত্মা গান্ধীৰ দৰে লিংকনে নিজৰ বুকুৰ তেজেৰে যুক্তৰাজ্যৰ বুকু তিয়াই গ'ল। যদিও দক্ষিণ যুক্তৰাজ্যৰ মানুহবোৰে লিংকনে প্ৰীতি আৰু সৌহাৰ্দ্দপূৰ্ণ ব্যৱহাৰ বিচাৰিছিল তথাপি কিছুমান মানুহৰ সুখৰ সপোন ভাগি গৈছিল। ধনী আৰু বিলাসী শ্ৰেণীয়ে যি ক্ৰীতদাস প্ৰথা উঠি যোৱাত ভাল নেপাইছিল তেওঁ-বিলাকৰ মাজৰে এজনে লিংকনক গুলী কৰিলে। সেইদিনা ১৪ এপ্ৰিল, ১৮৬৫ চন। ৰাতি দহোটা বাজি কুৰি মিনিট গৈছিল মাথোন। লিংকনে তেওঁৰ পত্নীৰে সৈতে 'Our American Cousin' অভিনয় চাই থকা অৱস্থাতে তেওঁ বহি থকা চকীখনত ঢলি পৰিল। তেওঁক গুলী কৰি আততায়ী পলাল।

পিচদিনা পুৱা প্ৰেছিডেণ্ট লিংকনে চিৰকাললৈ চকু মুদিলে। এনেকৈয়ে তেওঁৰ কঠোৰ জীৱনৰ অন্ত পৰিল সঁচা, কিন্তু তেওঁৰ অমৰ আদৰ্শ চিৰকাল অমৰ হৈয়েই থাকিব।

# চাৰ উইনষ্টন্ চাৰ্চিল

ইংলণ্ডৰ এগৰাকী পুৰুষৰ গাত প্ৰকৃত কলাকাৰৰ গুণ থাকিলেও আৰু তেওঁ নিজৰ জাতীয় সাহিত্যত বুজন ধৰণৰ বৰঙনি আগবঢ়ালেও তেওঁ আমাৰ চকুত পোনপটীয়াকৈ পৰে প্ৰায় আজীৱন যুদ্ধক্ষেত্ৰৰ বিভিন্ন পদবীত আৰু ৰাজনীতিত প্ৰখৰ প্ৰতিভা প্ৰদৰ্শন কৰোঁতা লোক হিচাপেহে। এই গৰাকী ইংৰাজ পুৰুষৰ নামত ১৯৫৩ চনত যেতিয়া সাহিত্যৰ নোবেল পুৰস্কাৰ ঘোষণা কৰা হল তেতিয়া কলাৰ সাধনাই মাথোন যিসকলৰ জীৱনৰ লক্ষ্য, তেওঁবিলাক নিশ্চয় আচৰিত হৈ পৰিছিল। কাৰণ তেওঁতো ৰোমাৰোঁলা, বাৰ্ণাড শ্ব, ৰবীন্দ্ৰনাথ আদিৰ দৰে জীৱন ব্যাপি সাধনা কৰা কলাবিদ নহয়। তথাপি সাহিত্যৰ নোবেল বঁটা বিজয়ী জগতবৰেণ্য কৰি সাহিত্যিকসকলৰ শাৰীতে তেওঁক বহুউৱা হল। এইজন পুৰুষেই হল যোৱা দ্বিতীয় মহাযুদ্ধৰ সময়ত হিটলাৰৰ প্ৰচণ্ড নিনাদলৈয়ো ভয় নকৰি অন্তৰত জয়ৰ আশা লৈ আপোন জন্মভূমি ইংলণ্ডক আৰু মিত্ৰপক্ষীয় দেশবিলাকক অভয়বাণী শুনাই যুদ্ধপৰিচালনাৰ কূটনীতি আৰু পটুতাৰে শেহত হিট্‌লাৰৰ তাণ্ডৱলীলাৰ অৱসান ঘটাই সেই প্ৰলয়ঙ্কৰ মহাযুদ্ধৰ সামৰণি পেলোৱাত বিপুল বৰঙনি যোগাওঁতা ইংলণ্ডৰ সেই সময়ৰ প্ৰধানমন্ত্ৰী চাৰ উইনষ্টান লিওনাৰ্ড স্পেন্সাৰ চাৰ্চিল।

সপ্তম ডিউক মাৰ্লবৰোৰ নাতিয়েক আৰু লৰ্ড ৰেনডল্ফ্ চাৰ্চিলৰ পুত্ৰ উইনষ্টন চাৰ্চিল লণ্ডনৰ ব্লেনহেইচ প্ৰাসাদত ১৮৭৪ চনত জন্ম গ্ৰহণ কৰে। এওঁৰ মাক জেনি জেৰমি 'নিউইয়ৰ্ক টাইমছ্' বাতৰি কাকতৰ ভূতপূৰ্ব্ব পৃষ্ঠপোষক সম্পাদক এজনৰ জীয়ৰী।

বাল্যকালত চাৰ্চিলে তেওঁৰ উজ্বল ভৱিষ্যতৰ চিন অকণো দেখুৱাব পৰা নাছিল। হেৰ'ৰ বিদ্যালয়ত পঢ়ি থকাৰ কালছোৱাত তেওঁ পঢ়াশুনাত মুঠেই চকুত পৰা ল'ৰা নাছিল। আইন-ব্যৱসায়ৰ বাবে চাৰ্চিল মুঠেই উপযুক্ত নহব বুলি ভাবি পিতাকে তেওঁক চেণ্ডহাৰ্ষ্ট সামৰিক বিদ্যালয়ত ভৰ্ত্তি কৰাই দিলে। এই বিদ্যালয়ত তেওঁ চকুত পৰা ছাত্ৰ হিচাপে পৰিগণিত হল। সামৰিক শিক্ষা সাং কৰি তেওঁ সৈন্যবাহিনীত ভৰ্ত্তি হল আৰু ছবছৰ কিউবা, চুডান আৰু ভাৰতীয় সীমান্তত হোৱা যুদ্ধত যোগ দিছিলগৈ। ভাৰতীয় সীমান্তৰ যুদ্ধৰ অভিজ্ঞতা বৰ্ণাই একুৰি দুবছৰ বয়সত তেওঁ জীৱনৰ প্ৰথম উপন্যাস চাভৰ'লা লিখে। এই কিতাপখনে উপন্যাস হিচাপে সফলতা আৰ্জ্জিব নোৱাৰিলে। তেওঁ 'দি মালাকান্দ ফিল্ড ফ'ৰ্চ' নামৰ দ্বিতীয় কিতাপখন একুৰি তিনি বছৰ বয়সত ৰচনা কৰে। এই কিতাপ তেওঁক বুৰঞ্জী আৰু আত্ম-জীৱনী লিখক ৰূপে প্ৰতিপন্ন কৰে। চৰকাৰী প্ৰমাণপত্ৰতকৈ চাৰ্চ্চিলৰ এইখন কিতাপে ভাৰতীয় সীমান্তত ঘটা ঘটনাৰ এটা ভাল ধাৰণা ওপজাব পাৰে বুলি প্ৰশংসা কৰি ইংলণ্ডৰ সেই সময়ৰ প্ৰধানমন্ত্ৰী লৰ্ড চেলিচবাৰীয়ে তেওঁক দেখা কৰিবলৈ মাতি পঠিয়ালে। প্ৰধানমন্ত্ৰীয়ে চাৰ্চিলৰ লগত আধাঘণ্টাৰো ওপৰ কাল কথা-বতৰা পাতি শেহত তেওঁক এইবুলি কৈ বিদায় দিলে—"মই আশাকৰোঁ তুমি মোক এইষাৰ কবলৈ অনুমতি দিবা যে যিজন লোকৰ লগত মই মোৰ ৰাজ-নৈতিক জীৱনৰ সেই বিখ্যাত দিনবোৰ কটাইছিলোঁ তোমাক দেখিলে তোমাৰ সেইজনা পিতাৰালৈ মোৰ বৰকৈ মনত পৰে। যদি কেতিয়াবা মই তোমাৰ সহায়ৰ বাবে কিবা কৰিবলগীয়া হয়, তেনেহলে সেই বিষয়ে মোক নজনোৱাকৈ যেন নেথাকা।"

লৰ্ড চেলিচবাৰীয়ে এদিন তেওঁৰ ৰাজনৈতিক জীৱনৰ সহযোগী লৰ্ড ৰেনডল্ফ্ চাৰ্চিলৰ কৰ্ম্মক্ষেত্ৰ মাটি কৰি দিছিল। আজি সেইজন লোকৰেই একুৰি তিনি বছৰীয়া পুতেকে লিখা কিতাপত মুগ্ধ হৈ সেই একেজন চেলিচবাৰীয়েহে তেওঁৰ সহ-যোগীৰ পুত্ৰৰ জীৱন-পথৰ সহায় হবলৈ প্ৰতিশ্ৰুতি দিলে।

চুডান ৰাজ্য পুনৰ বিজয় কৰিবলৈ ইংৰাজ সেনাপতি লৰ্ড কিছেনাৰে চলোৱা অভিযানত চাৰ্চিচলেও গৈ যোগ দিব খুজিছিল। লৰ্ড কিছেনাৰে চাৰ্চিচলৰ প্ৰতি বিৰূপ মনোভাৱ লৈ তেওঁক চুডান অভিযানৰপৰা আঁতৰত ৰাখিবলৈ দৃঢ়প্ৰতিজ্ঞ হল। চাৰ্চিচলে উপায়ান্তৰ হৈ লৰ্ড চেলিচবাৰীৰ প্ৰাইভেট চেক্ৰেটৰীজনক এই বিষয় লগ ধৰিলেগৈ। চাৰ্চিচলৰ পিতাকৰ বন্ধু এই প্ৰাইভেট চেক্ৰেটৰীয়ে কথাটো লৰ্ড চেলিচবাৰীৰ কাণত পেলোৱাত প্ৰধানমন্ত্ৰীয়ে লৰ্ড কিছেনাৰৰ আদেশত হস্তক্ষেপ কৰি চাৰ্চিচলক চুডান অভিযানত যোগ দিবলৈ অনুমতি দিলে। সেইমতে চাৰ্চিচলেও অশ্বাৰোহী সৈন্যবাহিনীৰ নায়ক হৈ ওমদাৰমানৰ যুদ্ধত যোগ দিলেগৈ। একুৰি চাৰি বছৰ বয়সত চাৰ্চিচলৰ 'দি ৰিভাৰ ওৱাৰ' নামৰ তৃতীয়খন কিতাপ প্ৰকাশ পায়। ইজিপ্তিয়ান কুশাসনৰ ফলত ১৮৮১ চনত হোৱা মেহদি বিদ্ৰোহৰপৰা আৰম্ভ কৰি দাৰ্ভিছবিলাকৰ তলত বহু বছৰ জুৰি হোৱা অৰাজকতা, ইংৰাজ আৰু ইজিপ্তবাসীৰ যুদ্ধৰ আয়োজন, লৰ্ড কিছেনাৰৰ যুদ্ধযাত্ৰা আৰু শেহত দাৰ্ভিছ সাম্ৰাজ্যৰ পতন আদি ভালেমান কথা পৰিপাটিকৈ এই কিতাপত বৰ্ণনা কৰা হৈছে। এইখন এখন প্ৰথম শ্ৰেণীৰ বুৰঞ্জী বুলি কব পাৰি। এই কিতাপেই তেওঁৰ বৰ্ণনামূলক লিখন-ৰীতিয়ে সম্পূৰ্ণভাৱে গঢ় লৈছিল। ইয়াৰ ৰচনা পদ্ধতি মেকলে আৰু গিবনৰ ৰচনা পদ্ধতিৰ লগত বিজাব পাৰি।

১৮৯৮ চনত চাৰ্চিচলে সৈন্যবাহিনী এৰি সাংবাদিক হ'বলৈ মন মেলিলে। পাৰ্লিয়ামেণ্টৰ সভ্য হোৱাৰ হেঁপাহ এটি তেওঁৰ মনত আছিল। গতিকে সাংবাদিকৰূপে তাৰবাৰে সাজু হবলৈ তেওঁৰ ইচ্ছা হ'ল। ইফালে ১৮৯৯ চনৰ পাৰ্লিয়ামেণ্টৰ নিৰ্ব্বাচনত ৰক্ষণশীল দলৰ সভ্য হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি তেওঁ হাৰিল। এনেতে দক্ষিণ আফ্ৰিকাত যুদ্ধ আৰম্ভ হোৱাত 'মৰ্ণিং পোষ্ট' বাতৰি-কাকতলৈ যুদ্ধৰ সংবাদ পঠিয়াওঁতা হিচাপে তেওঁ সেই যুদ্ধলৈ গ'ল।

সেই যুদ্ধত শত্ৰুপক্ষই তেওঁক ধৰি বন্দী হিচাপে প্ৰিটবিয়ালৈ নিলে। অসীম সাহসেৰে তাৰপৰা পলাই সাৰি তেওঁ দক্ষিণ

আফ্ৰিকাৰ অশ্বাৰোহী সৈন্যবাহিনীৰ বিষয়া হৈ পুনৰ যুদ্ধলৈ ঘূৰিল। কেইমাহমানৰ পিচত সেই চাকৰি ইস্তফা দি তেওঁ ইংলণ্ডলৈ গ'ল আৰু আগতে পৰাজয় হোৱা অলডহাম্ সমষ্টিৰ পৰাই ৰক্ষণশীল দলৰ প্ৰাৰ্থী হিচাপে ১৯০০ চনত 'হাউচ্ অব কমনচ'ৰ সভ্য নিৰ্ব্বাচিত হ'ল। তেতিয়া তেওঁ একুৰি ছবছৰীয়া।

দক্ষিণ আফ্ৰিকাৰ যুদ্ধত একুৰি পাঁচবছৰীয়া চাৰ্চিচলে নাম কৰিলেও যুদ্ধৰ সীমান্তৰপৰা পঠিওৱা সংবাদবোৰ গোটাই দুই খণ্ডত ছপোৱাত বিশেষ ওখ ধৰণৰ আন কিতাপ লিখা নাছিল। ইয়াৰ প্ৰথম কাৰণ হয়তো এইটো হব পাৰে যে ভৱিষ্যতে তেওঁ পালিয়ামেণ্টৰ সভ্য নিৰ্ব্বাচিত হোৱাটো সুনিশ্চিত বুলি ধৰি লৈছিল আৰু তেতিয়া তেওঁৰ সন্মুখত বহুতো সমস্যাই দেখা দিব যিবোৰ তেওঁ সমাধান কৰিব লাগিব। গতিকে তাৰবাবে সাজু হ'বলৈ হয়তো মনপুতি পঢ়া-শুনা কৰি থকাত তেওঁ কোনো গভীৰ বিষয়ৰ কিতাপ ৰচনা কৰিব পৰা নাছিল। যিটো দলে দক্ষিণ আফ্ৰিকাৰ যুদ্ধখন চলাই আছিল সেইটো দলৰে এজন প্ৰাৰ্থী হিচাপে তেওঁ ভৱিষ্যতে পাৰ্লিয়ামেণ্টৰ নিৰ্ব্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব যেতিয়া চলি থকা যুদ্ধখনৰ কাৰণ বা তাৰ ফলাফলবোৰৰ বিষয়ে মুকলিভাৱে ব্যক্তিগত সিদ্ধান্ত কিছুমান ল'লে হয়তো তেওঁৰ দলৰ কিবা হানি হ'ব পাৰে বা নিৰ্ব্বাচনত তেওঁৰো কিবা ক্ষতি হ'ব পাৰে বুলিয়েই তেওঁ এইখন যুদ্ধৰ বিষয়ে কোনো ডাঙৰ ধৰণৰ কিতাপ ৰচনা কৰা নাছিল। ইয়াৰ দ্বিতীয়টো কাৰণ এইদৰেই দৰ্শাব পাৰি।

১৯০৬ চনত তেওঁ 'দি লাইফ্ অব লৰ্ড ৰেণ্ডল্ফ্ চাৰ্চিচল' নামৰ কিতাপখন দুই খণ্ডত লিখি ছপায়। এইখন ইংৰাজী ভাষাৰ এখন চমৎকাৰ ৰাজনৈতিক বুৰঞ্জী। ৰক্ষণশীল দলৰ হিতৰ কাৰণে লৰ্ড ৰেনডল্ফ্ চাৰ্চিচলে যোগোৱা বৰঙনি বৰ ডাঙৰ ধৰণৰেই আছিল। তেওঁ এই দলটোৰ সৌভাগ্যলক্ষ্মীক পুনৰ ঘূৰাই আনিছিল নিজৰ প্ৰতিভাৰে। কালৰ কুটিলা গতিত শেহত চেলিচ্বাৰী, বেলফ'ৰ আৰু জোচেফ্ চেম্বাৰলেইনৰ

আঙুলি সঙ্কেতত ৰক্ষণশীল দলটো আগবাঢ়ি গ'ল; তাৰ এসময়ৰ হৰ্ত্তাকৰ্ত্তা লৰ্ড ৰেণডল্ফক তাৰপৰা আঁতৰাই পঠিওৱা হ'ল। পিতাকৰ বিপুল প্ৰতিভাৰ উত্থান-পতনৰ কাহিনী পুতেক চাৰ্চিচলে তেওঁৰ এই গ্ৰন্থত বৰ সুন্দৰকৈ আলোচনা কৰিছে।

এই কিতাপখন ছপা হোৱাৰ দুবছৰৰ আগতেই তেওঁ ৰক্ষণশীল দলটো এৰি পেলালে। এই দল এৰি যোৱাৰ দুবছৰতকৈয়ো কম সময়ৰ ভিতৰতে প্ৰধানমন্ত্ৰী বেলফ'ৰে ইস্তফা দিবলগীয়া হোৱাত উদাৰনৈতিক দলৰ হাতত দেশৰ শাসনৰ ভাৰ পৰিল আৰু চাৰ্চিচল মন্ত্ৰীসভাৰ অন্যতম সভ্য হ'ল। মন্ত্ৰী হৈ তেওঁ ৰেলগাড়ী, ট্ৰাম আদিৰ চলাচল বিভাগ, পোতাশ্ৰয়ৰ দায়িত্ব আদি কামত বিশেষভাৱে আত্মনিয়োগ কৰিছিল। বনুৱাবিলাকক অতিৰিক্ত খাটনিৰপৰা বেহাই দিয়া, বন্দীশালত থকা বন্দীবিলাকক ভালদৰে আহাৰ পাতিৰ যোগান ধৰা আদি হিতকৰ কাম কিছুমানো তেওঁ সম্পন্ন কৰিছিল।

প্ৰধান মন্ত্ৰী এস্কুইথে চাৰ্চিচলৰ সাম্যবাদী মনোভাৱলৈ লক্ষ্য কৰি তেওঁক ওপৰোক্ত দপ্তৰবিলাকৰপৰা আঁতৰাই নৌ-সেনাধ্যক্ষৰ পদলৈ পঠিয়ালে। প্ৰথম মহাযুদ্ধৰ কালছোৱাত ইংৰাজ জাতিৰ প্ৰধান অস্ত্ৰ এই নৌ-সেনানীৰ সৰ্ব্বভাৰ চাৰ্চিচলৰ ওপৰতেই ন্যস্ত আছিল।

১৯১৫ চনৰ আগভাগত চাৰ্চিচলে দাৰ্দ্দানেলিছ্ প্ৰণালী মাত্ৰ নৌ-সেনানীৰেই অতিক্ৰম কৰি বোমা পেলাই তুৰস্কৰ ৰাজধানী কনষ্টাণ্টিনোপলক বশ্যতা স্বীকাৰ কৰাবলৈ যুদ্ধ যাত্ৰা কৰিলে। তেওঁৰ আগৰ আঁচনি মতে জল স্থল উভয়ৰেপৰা একেলগে দাৰ্দ্দানেলিছ্ প্ৰণালী আক্ৰমণ কৰাৰ কথা আছিল। পিচে এই বিষয়ে একো ঠিক হৈ নুঠাত চাৰ্চিচলে নৌ সৈন্যৰেই সেই অভিযানত অগ্ৰসৰ হ'ল। ইংৰাজ নৌবাহিনীৰ অধিনায়ক লৰ্ড ফিচাৰে চাৰ্চিচলৰ এই অভিযানটো সমৰ্থন কৰিলেও তেওঁৰ পিচৰ অভিযানবোৰ মুঠেই সমৰ্থন কৰা নাছিল। চাৰ্চিচলৰ অভিযান বিফল হোৱাত লৰ্ড ফিচাৰে ইস্তফা দিলে আৰু ইফালে

এই কথা লৈ ইংলণ্ডৰ ৰাজনৈতিক ক্ষেত্ৰত তল-ওপৰ লাগিল। প্ৰধান মন্ত্ৰী এস্কুইথ ৰক্ষণশীল দলৰ সহযোগে সংযুক্ত মন্ত্ৰীসভা গঠন কৰিবলৈ বাধ্য হ'ল। ৰক্ষণশীল দলৰ হেঁচাত চাৰ্চিচলে নৌ সেনাধ্যক্ষৰ পদ ইস্তফা দিলে। সৈন্য বাহিনী এটিৰ সেনাধ্যক্ষ হিচাপে পশ্চিম সীমান্তৰ যুদ্ধত যোগ দিবলৈ তেওঁ ফ্ৰান্সলৈ গ'ল। ১৯১৬ চনৰ শেহ ভাগত লয়েড জৰ্জ্জে ৰক্ষণশীল দলৰ সমৰ্থনত প্ৰধান মন্ত্ৰী এস্কুইথক আঁতৰাই ইংলণ্ডৰ প্ৰধান মন্ত্ৰীৰ গাদীত বহিল আৰু চাৰ্চিচলক যুঁজৰ সামগ্ৰী দপ্তৰৰ মন্ত্ৰী পতা হ'ল। প্ৰথম মহাযুদ্ধৰ সামৰণি পৰাত লয়েড জৰ্জ্জে পুনৰ ১৯১৯ চনৰপৰা ১৯২২ চনলৈ ইংলণ্ডৰ প্ৰধান মন্ত্ৰীৰ ভাৰ পাইছিল আৰু এই কালছোৱাৰত চাৰ্চিচলে লয়েড জৰ্জ্জৰ মন্ত্ৰী-সভাৰ অন্যতম সদস্য হিচাপে ভালেমান যুদ্ধোত্তৰ কৰ্ম্মত লিপ্ত হৈ আছিল। সেইবোৰৰ ভিতৰত ৰুছিয়াৰ বলচেভিক বিৰোধী দলক সমৰ্থন জনোৱা আৰু আয়াৰলেণ্ডৰ গৃহযুদ্ধত হস্তক্ষেপ কৰা কামেই প্ৰধান। ১৯২২ চনত ৰক্ষণশীল দলে লয়েড জৰ্জ্জৰ নেতৃত্বৰপৰা ফালৰি কাটি অহাত সংযুক্ত মন্ত্ৰী-সভা ভঙ্গ হ'ল। চাৰ্চিচলে তেওঁৰ দল আৰু পাৰ্লিয়ামেণ্টৰ আসন হেৰুৱালে। ১৯২২ৰপৰা ১৯২৪ লৈ তেওঁ পাৰ্লিয়ামেণ্টত নাছিল। এই আজৰিব কালখিনিতে তেওঁ 'দি ওৱৰ্ল্ড ক্ৰাইচিচ্' নামৰ প্ৰথম মহাযুদ্ধৰ বুৰঞ্জী লিখিবলৈ ধৰে। এই বৃহৎ গ্ৰন্থখন চাৰিখণ্ডত সম্পূৰ্ণভাৱে প্ৰকাশ হোৱাৰ আগতেই তেওঁ 'হাউচ্ অব কমনচ'ৰ সভ্য নিৰ্ব্বাচিত হয়। ১৯২৪ চনৰপৰা ১৯২৯ চনলৈ ৰাজ্য শাসনৰ দায়িত্বত থকা বল্ডুইন চৰকাৰে তেওঁক ৰাজস্ব বিভাগৰ সচিব পাতে। এই সময়ত চাৰ্চিচলে বাণিজ্য বিভাগ, গৃহদপ্তৰ, নৌ বিভাগ, যুদ্ধৰ সামগ্ৰী বিভাগ, যুদ্ধৰ অফিচ, উপনিৱেশ আৰু ধনভঁৰালৰ সভাপতিৰূপে বৰকৈ খাটিবলগীয়াত পৰিছিল।

১৯২৯ চনত ৰক্ষণশীল দল পৰাজিত হোৱাত ৰামজে মেকডনেল্ড্ উদাৰনৈতিক দলৰ সমৰ্থনত প্ৰধান মন্ত্ৰী হৈ চৰকাৰ গঠন কৰে। ভাৰতীয় সমস্যাৰ সমাধান কল্পে তেওঁ

ঘৃৰণীয়া মেজ মেল পাতিলে। ভাৰতীয়সকলে শাসন সংস্কাৰৰ নামত যিবোৰ বিচাৰিছিল সেইবোৰৰ শতকৰা নব্বৈভাগ দিয়াৰ পক্ষপাতী তেওঁ আছিল। বিৰোধী দলৰ নেতা বল্ডুইনেও তেওঁৰ দলসহ মেক্‌ড'নেল্ডৰ এই মনোভাৱত সহযোগৰ চিন দেখুৱাইছিল। চাৰ্চিচলে কিন্তু এই কথা লৈ মেক্‌ড'নেল্ডক চোকা সমালোচনা কৰিছিল। বল্ডুইনবো আওপকীয়া আৰু ভয়াতুৰ স্বভাৱক তেওঁ সততে আক্ৰমণ কৰিছিল। ভাৰতৰ শাসন-সংস্কাৰ বিলখন কাৰ্য্যকৰী কৰাৰ অৰ্থ হ'ল চাৰ্চিচলৰ মতে মহাত্মা গান্ধীৰ ওচৰত বশ্যতা স্বীকাৰ কৰা। মহাত্মা গান্ধীৰ নেতৃত্বত দিনক দিনে শক্তিশালী হৈ উঠা কংগ্ৰেছৰ লগত মিটমাট কৰিবলৈ ভাৰতৰ ৰাজ-প্ৰতিনিধি লৰ্ড আৰউইনে তেওঁৰ প্ৰাসাদত মহাত্মাৰ লগত সমান ব্যৱহাৰ কৰি ভাৰতীয় সমস্যাৰ আলোচনা চলোৱাত চাৰ্চিচলৰ গাৰ পোৰণি উঠিছিল। এই কথাটোকে লৈ তেওঁ লণ্ডনৰ এখন সভাত ভাৰত আৰু মহাত্মাৰ প্ৰতি লক্ষ্য কৰি যিখিনি প্ৰলাপ বাক্য কৰিছিল তাৰ কথা ভাৰতে কেতিয়াও নেপাহৰে। তেওঁ কৈছিল—

"আগতে ইনাৰ টেম্পোলৰ বেৰিষ্টাৰ, এতিয়া বিদ্ৰোহী ফকীৰ মিষ্টাৰ গান্ধীয়ে অৰ্দ্ধনগ্ন অৱস্থাৰে মহামান্য সম্ৰাটৰ প্ৰতিনিধি গৰাকীৰ সৈতে সমানে সমানে কথা-বতৰা পাতিবলৈ ভাইচৰয়ৰ প্ৰাসাদৰ ওপৰলৈ উঠি যোৱা দৃশ্যটো বৰ আতঙ্কজনক আৰু অপ্ৰীতিকৰ।"

বিংশ শতিকাৰ শান্তিদূত, ভাৰতবাসী তথা জগতৰ নিষ্পেষিত জনগণৰ আশা-ভৰসাৰ থলি মহাত্মা গান্ধীৰ প্ৰতিও যিজনে এইদৰে বিদ্ৰূপ-বাণ নিক্ষেপ কৰিব পাৰে তেওঁ যে ভাৰতৰ স্বাধীনতাৰ দুৰ্ঘোৰ পৰিপন্থী আছিল সেইটো সহজে অনুমান কৰিব পাৰি। প্ৰধানমন্ত্ৰী বল্ডুইনে ইংলণ্ডৰ ৰাজবংশৰ মৰ্য্যাদা অক্ষুণ্ণ ৰাখিবলৈ মিচেচ চিমচনক বিয়া কৰাবলৈ দৃঢ়প্ৰতিজ্ঞ হোৱা ৰজা অষ্টম এডৱাৰ্ডক যেতিয়া ইংলণ্ডৰ সিংহাসন ত্যাগ কৰিবলৈ বাধ্য কৰাইছিল তেতিয়াও চাৰ্চিচলে বল্ডুইনক সমালোচনাৰে থকা-সৰকা কৰিছিল।

১৯৩০ চনত দুকুৰি পোন্ধৰ বছৰীয়া চার্চিচলে "লাইফ্—এ ৰভিং কমিশ্যন" বোলা তেওঁৰ আত্ম-জীৱনীৰ আগভাগ ছপা কৰি উলিয়ায়। তেওঁৰ কিতাপবোৰৰ ভিতৰৰ এইখন অতি সুখপাঠ্য বুলি বিবেচিত হৈছে।

১৯৩১ চনত বল্ডুইন আৰু ৰাম্‌জে মেক্‌ডনেল্ডৰ সহ-যোগত গঠিত হোৱা জাতীয় চৰকাৰৰ মন্ত্ৰীসভাত চার্চিচলক লোৱা নহ'ল। ক্ৰমান্বয়ে ৰাম্‌জে মেক্‌ডনেল্ড, বল্ডুইন আৰু নেভিল চেম্বাৰলেইন প্ৰধান-মন্ত্ৰী হৈ চলোৱা এই দহ বছৰীয়া চৰকাৰৰ মন্ত্ৰীসভাত চার্চিচলে ঠাই পোৱা নাছিল।

১৯৩১ আৰু ১৯৩২ চনত তেওঁ ক্ৰমে 'দি ইষ্টাৰ্ণ ফ্ৰণ্ট' আৰু 'থটচ্ এণ্ড এড্‌ভেঞ্চাৰচ্' নামৰ কিতাপ দুখন প্ৰকাশ কৰে। পিচৰখন কিতাপ বিভিন্ন বিষয়ৰ কিছুমান ৰচনাৰ সমষ্টি। ১৯৩৭ত তেওঁৰ 'দি কনটেম্‌পৰেৰিজ্' বোলা গ্ৰন্থখন ওলায়। এই কিতাপখন তেওঁৰ লগত ঘনিষ্ঠতা থকা বা তেওঁ জনা-শুনা প্ৰায় একুৰি চাৰিজন লোকৰ চমুজীৱনী। ১৯৩৩ৰ পৰা ১৯৩৮ৰ ভিতৰত তেওঁৰ আন এখন বৃহৎ গ্ৰন্থ 'মলিবৰো এণ্ড হিজ্ টাইমছ্' চাৰি খণ্ডত ছপা হৈ ওলায়।

ইফালে হাৰ হিটলাৰৰ প্ৰকোপ লাহে লাহে বাঢ়ি যাবলৈ ধৰিলে। জার্মানীয়ে হিটলাৰৰ নেতৃত্বত অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত হৈ ইউৰোপত তথা পৃথিৱীত এটি ভয়াবহ সঙ্কটৰ সৃষ্টি কৰিবলৈ দেহেকেহে সাজু হোৱাৰ কথা চার্চিচলে বাৰে বাৰে ইংৰাজ জাতিক সোঁৱৰাই থকাতো তেওঁৰ কথাত কোনেও বিশেষ গুৰুত্ব আৰোপ কৰা নাছিল। ১৯৩৮ চনত জেকোশ্লভেকিয়াৰ সঙ্কটৰ সময়তহে ইংলণ্ডই নিজৰ আসন্ন বিপদৰ ভু পালে। চার্চিচলে মিউনিকত দিয়া ভৱিষ্যত বাণী অৱজ্ঞা কৰা নহল। ১৯৩৯ চনৰ চেপ্টেম্বৰত দ্বিতীয় মহাযুদ্ধ আৰম্ভ হল। তেওঁক নৌ-সৈন্যবাহিনীৰ অধিনায়কৰ পদ দিয়া হল। এই পদত তেওঁ যথেষ্ট সুনাম আৰ্জ্জিলে। প্ৰধানমন্ত্ৰী চেম্বাৰলেইনৰ প্ৰতি-পত্তি কমি অহাত তিনিকুৰি ছবছৰীয়া চার্চিচল ১৯৪০ চনৰ মেই মাহৰ ১০ তাৰিখৰ দিনা ইংলণ্ডৰ প্ৰধানমন্ত্ৰীৰ গাদীত বহিল। সেই দিনাখনেই হিটলাৰে হলেণ্ড আক্ৰমণ কৰিছিল।

প্ৰধানমন্ত্ৰীৰূপে 'হাউচ অৱ্ কমনচ্'ত তেওঁ দিয়া প্ৰথম ভাষণত তেওঁৰ চৰকাৰৰ নীতি স্পষ্টকৈ ঘোষণা কৰিলে। "যি কোনো উপায়েৰেই নহওক, যুদ্ধত জয় লাভ কৰিবই লাগিব"—তেওঁৰ বজ্ৰ নিৰ্ঘোষ উক্তিৰ এয়েই হ'ল মূল কথা। জীৱনৰ বহু বছৰ ধৰি যুদ্ধ সংক্ৰান্ত বিষয়ত জড়িত হৈ অহা এই কৰ্ম্মঠ পুৰুষজনক আসন্ন দুৰ্য্যোগৰ সময়ত দেশৰ গুৰিয়াল ৰূপে পাই ইংৰাজ জাতিয়ে যেন স্বস্তিৰ নিশ্বাস পেলালে। জাতীয় চৰকাৰ গঠন কৰি তেওঁ ভালেমান সমস্যাৰ সমাধান কৰিবলগীয়াত পৰিছিল। ফ্ৰান্সৰ পতন, ডানকাৰ্কৰপৰা ইংৰাজ সৈন্যৰ অপসাৰণ আদিয়ে হিটলাৰৰ ক্ষমতা দিনকদিনে বঢ়াই অনাত আৰু তাৰ লগে লগে ইংলণ্ডৰ ভাগ্য-আকাশত বিপদৰ ক'লা মেঘ ঘনীভূত হৈ অহাতো চাৰ্চিচলে দেশবাসীক আৰু জগতৰ স্বাধীনতাকামী সকলো জাতিকে অভয় বাণী শুনাই আছিল। আনবিলাক মন্ত্ৰীয়ে কথা ক'লে ব্যৱহাৰ কৰিছিল শব্দাৱলী। চাৰ্চিচলৰ প্ৰতিটো বক্তৃতাই আছিল একোটা সজীৱ কৰ্ম্ম। সৈন্য বাহিনীয়েও তেওঁৰ কথা আখৰে আখৰে পালন কৰিছিল। চাৰ্চিচলে আশা কৰিছিল যে এই মহাযুদ্ধত হিটলাৰৰ সমূলঞ্চে পতন হ'ব, যদি আমেৰিকাৰ যুক্তৰাষ্ট্ৰ আৰু ৰুছিয়াই এই মহাযুদ্ধত যোগদান কৰে। পিচে চাৰ্চিচলৰ মনৰ কামনা পূৰণ হ'ল। ১৯৪১ চনৰ ২২ জুনৰ দিনা হিটলাৰে ৰুছিয়া আৰু ডিচেম্বৰৰ ৭ তাৰিখে জাপানে 'পাৰ্ল হাৰবাৰ' আক্ৰমণ কৰাত এই দুই দেশো মহাযুদ্ধত নামিল। পৃথিৱী কঁপোৱা মহাযুদ্ধ ১৯৪৫ চনৰ এপ্ৰিললৈ চলিল। সেই মাহৰ শেহত জাৰ্ম্মানীয়ে পৰাজয় বৰণ কৰাত মহাযুদ্ধৰ সামৰণি পৰিল। শ্ৰমিক দলৰ সভ্য এট্‌লি, বেভিন আদিয়ে জাতীয় চৰকাৰ এৰাত চাৰ্চিচলে সম্পূৰ্ণ ৰক্ষণশীল চৰকাৰ গঠন কৰিলে।

জনসাধাৰণৰ নিৰনুৱা সমস্যাৰ সমাধানকে ধৰি তেওঁলোকৰ হিতৰ অৰ্থে বিশেষ ভাল কাম এই চৰকাৰে কৰা নাছিল। গতিকে তাৰ পিচৰ নিৰ্ব্বাচনত শ্ৰমিক দল জয়যুক্ত হ'ল।

যোৱা মহাযুদ্ধৰ কালছোৱাত যিজন লোকে ইংলণ্ডক ৰক্ষা কৰিলে তেওঁৰ প্ৰতি এইটো অকৃতজ্ঞতাৰ চিন বুলি ইংলণ্ডৰ বাহিৰেও ভালেমান আলোচনা-সমালোচনা চলিল। পিচে ইংৰাজ জাতি প্ৰকৃততে চাৰ্চিচলৰ প্ৰতি অকৃতজ্ঞ হোৱা নাছিল। যুদ্ধৰ পিচত তেওঁলোকে বিচাৰিছিল সামাজিক সংস্কাৰ। গতিকে এই কাৰ্য্য সফল হবলৈ চাৰ্চিচল উপযুক্ত নহব বুলি তেওঁলোকে ধৰি লৈছিল।

চাৰ্চিচলৰ 'দি চেকেণ্ড ওৱৰ্ল্ড ওৱাৰ' নামৰ বৃহৎ গ্ৰন্থখনৰ প্ৰথম খণ্ড ১৯৪৮ চনত প্ৰকাশ হয়। তাৰ পিচৰ পাঁচ বছৰত সেই গ্ৰন্থৰ বাকী পাঁচ খণ্ডও ওলায়। পৃথিৱীৰ বুকুত প্ৰলয়ৰ সূচনা কৰা দ্বিতীয় মহাযুদ্ধত তেওঁ যোগোৱা ৰৰঙনিৰ সম্পূৰ্ণ বিৱৰণ এই গ্ৰন্থত সন্নিৱিষ্ট কৰা হৈছে। প্ৰথমখণ্ডত কিছুমান এনে ধুনীয়া লিখন-ৰীতি বা সজীৱ বৰ্ণনা আছে যিবিলাকৰ দ্বাৰা তেওঁক প্ৰকৃত কলাকাৰৰ শাৰীত নিঃসন্দেহে বহুৱাব পাৰি। বাকী কেইখণ্ড অধিক পৰিমাণে যুদ্ধৰ নিখুঁত বা-বাতৰি, ঘটনা পৰম্পৰাৰ চমৎকাৰ বিৱৰণ আৰু সজীৱ স্মাৰকলিপি মাথোন। এই কিতাপখনৰ কাৰণেই তেওঁক সাহিত্যৰ নোবেল বঁটা দিয়া হয়। এই কিতাপৰ বাহিৰেও তেওঁৰ যুদ্ধকালীন বক্তৃতাৱলী ১৯৩৮ৰ পৰা ১৯৪৬ চনৰ ভিতৰত আঠ খণ্ডত ছপা হয়।

চাৰ্চিচল ইউৰোপ তথা পৃথিৱীৰ এজন প্ৰথম শ্ৰেণীৰ ৰাজনীতিবিদ, এজন নিপুণ সামৰিক বিষয়া আৰু এজন প্ৰথম শাৰীৰ লিখক। বক্তা হিচাপে তেওঁক ইংলণ্ডৰ প্ৰথম খাপৰ বক্তা বাৰ্কৰ লগত ৰিজাব পাৰি। তেওঁ অলসতা তিলমানো ভাল নেপায়। ১৯১৫ চনত নৌবাহিনী এৰিবলগীয়া হোৱাত তেওঁ চিত্ৰকলাত মন দিছিল। এসময়ত আন কাম হাতত নথকাত তেওঁ গৰু-ছাগলী পোহা আৰু বাৰী পতা কামতো মন দিছিল। বৰ ভাৱপ্ৰৱণ হ'লেও আৰু মনৰ গতিৰ ততালিকে সলনি কৰিলেও তেওঁৰ অন্তৰত খঙতকৈ কাৰুণ্যৰ ভাবেই অধিক। প্ৰায় আজীৱন যুদ্ধ-বিগ্ৰহ দেশৰক্ষা আদি

কোলাহলপূর্ণ কর্ম্মৰ মাজতো ইংৰাজী সাহিত্যৰ ভঁৰাললৈ যাউতিযুগীয়া মাণিকীমধুৰী আগবঢ়োৱা চাৰ উইনষ্টন চার্চিচল সঁচাকৈয়ে এটি বিস্ময় বুলি নকৈ নোৱাৰি।

১৯০৮ চনত তেওঁ ক্লিমেণ্টাইন্ ওজিলভিক বিয়া কৰায়। এটি পুতেক আৰু তিনিজনী কন্যা সন্তানেৰে সৈতে তেওঁলোকৰ দাম্পত্য জীৱনো বৰ মধুৰ।

---

Jawaharlal Nehru College Library
No
Date
Boko

—অন্ত—